# প্ৰাচীন নগৰীয়া সভ্যতা

## অনুশীলনী

**প্ৰশ্ন ১। ( ক ) পুৰণি বেছিভাগ সভ্যতা নদীৰ পাৰত গঢ়ি উঠাৰ কাৰণ কি ?**

**উত্তৰঃ** নদীৰ পাৰতেই বেছিভাগ সভ্যতা গঢ়ি উঠাৰ কাৰণবোৰ হ'ল—

( ১ ) নদীৰ পাৰৰ মাটি সাৰুৱা হোৱাৰ বাবে খেতিৰ উপযোগী ।

( ২ ) নদীৰ পাৰত বেছিকৈ ঘাঁহ – বন গজে যিবোৰ পোহনীয়া জীৱ – জন্তুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিবলৈ সুবিধা হয় ।

( ৩ ) মানুহ আৰু পোহনীয়া জীৱ – জন্তুৰ বাবে প্ৰয়োজনীয় পানী নদীৰ পৰাই পাইছিল ।

( ৪ ) নদীৰ পানী সহজেই খেতি – পথাৰত দিয়াৰ ব্যৱস্থা কৰিব পাৰিছিল ।

( ৫ ) সেই সময়ত নদীয়েই আছিল যাতায়াত আৰু বেহা – বেপাৰৰ সুচল পথ ।

**( খ ) সিন্ধু উপত্যকা সভ্যতাৰ নগৰ পৰিকল্পনাৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** সিন্ধু সভ্যতাৰ মহেঞ্জোদাৰো আৰু হৰপ্পা দুয়োখনেই আধুনিক যুগৰ নগৰৰ দৰে পৰিকল্পিত আছিল । আলি বাটবোৰ আহল – বহল আছিল আৰু কাষত নলা – নৰ্দমাৰ ব্যৱস্থা আছিল । নদৰ্মাৰ ওপৰত সহজে খুলিব পৰা ঢাকনি আছিল। ঘৰৰ পৰা ওলাই যোৱা পানী নলাত জমা হৈ লেতেৰা পানী নলায়েদি নগৰৰ বাহিৰলৈ উলিয়াইপঠিওৱা হৈছিল । পানী যোগান ব্যৱস্থা বিজ্ঞানসন্মত আছিল ।

এই সভ্যতাৰ মানুহে পোৰা ইটাৰে গৃহ নিৰ্মাণ কৰিছিল । ঘৰসমূহক বৃহৎ অট্টালিকা , সাধাৰণ মানুহৰ বাসগৃহ আৰু স্নানাগাৰ বা গা ঘোৱা ঘৰ — এই তিনিটা ভাগত ভাগ কৰা হৈছিল । ঘৰুৱা গা – ধোৱা ঘৰৰ উপৰি ৰাজহুৱা স্নানাগাৰৰ ব্যৱস্থাও আছিল । আৱৰ্জনা পেলাবৰ বাবে ঘৰে ঘৰে আৱৰ্জনা ৰখা পাত্ৰৰ ব্যৱস্থা আছিল ।

**( গ ) সিন্ধু সভ্যতাৰ কৃষি , পশুপালন আৰু খাদ্য সম্পৰ্কে কি জানা লিখা।**

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লোকসকলৰ প্ৰধান জীৱিকা আছিল কৃষি আৰু পশুপালন । তেওঁলোকে বিভিন্ন শস্যৰ খেতি কৰিছিল। কৃষিজাত সামগ্ৰীৰ ভিতৰত প্ৰধান আছিল ধান , মাহ , বাৰ্লি , তিল , গম , নানাবিধ শাক – পাচলি আৰু ফলমূল । হৰপ্পা আৰু মহেঞ্জোদাৰোত শস্যৰ ভঁৰাল আৱিষ্কাৰ হৈছে । আনহাতে , পশুপালনৰ ক্ষেত্ৰত তেওঁলোকে গাহৰি , ভেড়া , ষাঁড়গৰু , হাতী , উট , ছাগলী , ম’হ ইত্যাদি জন্তু পুহিছিল ।

সিন্ধু সভ্যতাৰ লোকসকলৰ প্ৰধান খাদ্য আছিল গম , বাৰ্লি , ভাত , গাখীৰ আৰু গাখীৰৰ পৰা উৎপন্ন বস্তু । তদুপৰি শাক – পাচলি , মাছ , ছাগলীৰ মাংস , কাছৰ মাংস আদিও তেওঁলোকে খাইছিল ।

**( ঘ ) সিন্ধু সভ্যতাৰ লোকসকলৰ বেপাৰ বাণিজ্য সম্পৰ্কে লিখা ।**

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লোকসকলৰ সেই সময়ৰ সভ্যতা , যেনে— মেছোপটেমিয়া , মিচৰ আৰু গ্ৰীচৰ মানুহৰ লগত বাণিজ্যিক সম্পৰ্ক গঢ়ি উঠিছিল । সিন্ধু উপত্যকাৰ পৰা বিভিন্ন ধৰণৰ মণি , কাপোৰ , মাটিৰ পাত্ৰ , মছলা আদি আন ঠাইলৈ ৰপ্তানি কৰিছিল । ঠিক সেইদৰে আন আন ঠাইৰ পৰা সোণ , ৰূপ , তাম , অন্যান্য মূল্যৱান পাথৰ , প্ৰসাধন সামগ্ৰী আদি আমদানি কৰিছিল । ধ্বংসাৱশেষবোৰৰ মাজত আৱিষ্কাৰ হোৱা ছীল – মোহৰবোৰ ব্যৱসায়িক লেনদেনৰ প্ৰমাণ বুলি অনুমান কৰিব পাৰি । ইউফ্ৰেটিছ আৰু টাইগ্ৰীচ নদীৰ পাৰৰ হাট – বজাৰত সিন্ধু উপত্যকাত নিৰ্মিত বস্তু বিক্ৰী কৰা হৈছিল । ব্যৱসায়িক সামগ্ৰীসমূহ নাৱেৰে কঢ়িওৱা হৈছিল বুলি অনুমান কৰা ।

**( ঙ ) সিন্ধু সভ্যতাৰ লোকসকলৰ ধৰ্মীয় বিশ্বাস সম্পৰ্কে এটি টোকা লিখা ।**

**উত্তৰঃ** সিন্ধু উপত্যকাত চলোৱা খনন কাৰ্যত কোনো মঠ – মন্দিৰ আৱিষ্কাৰ হোৱা নাছিল যদিও বিভিন্ন মূৰ্তি আৱিষ্কাৰ হৈছে । সিন্ধু উপত্যকাৰ অধিবাসীসকলে শিৱ আৰু শক্তি পূজা কৰিছিল বুলি পণ্ডিতসকলে অনুমান কৰিছে । বিভিন্ন পশুৰে আৱেষ্টিত ধ্যানমগ্ন শিৱৰ মূৰ্তি আৱিষ্কাৰ হৈছে । তেওঁলোকে শিৱক পশুপতি বুলি পূজা কৰিছিল । খনন কাৰ্যত অসংখ্য মাটিৰ মাতৃৰ মূৰ্তি আৱিষ্কাৰ হোৱালৈ চাই তেওঁলোকে প্ৰকৃতিক মাতৃ হিচাপে পূজা কৰিছিল বুলি অনুমান কৰিব পাৰি । তদুপৰি তেওঁলোকে বট , আহত আদি গছৰ লগতে ষাঁড় , বাঘ , হাতী , মহ , গৰু আদি জন্তুকো পূজা কৰিছিল ।

**( চ ) সিন্ধু সভ্যতাৰ লোকসকলৰ ৰাজহুৱা স্নানাগাৰটো কেনেকুৱা আছিল লিখা ।**

**উত্তৰঃ** মহেঞ্জোদাৰোত চলোৱা খনন কাৰ্যত এটা ৰাজহুৱা স্নানাগাৰ আৱিষ্কাৰ হৈছে। এই স্নানাগাৰটো দীঘে ১৮০ ফুট , পথালিয়ে ১০৮ ফুট আয়তনৰ এটা বৃহৎ চাৰিকোণীয়া স্নানাগাৰ। স্নানাগাৰটোৰ মাজভাগত ৩৯ ফুট দীঘল , ২৩ ফুট বহল আৰু ৮ ফুট দ এটা পুখুৰী আছিল। সম্ভৱতঃ সাঁতুৰিবৰ বাবে সজোৱা এই পুখুৰীটোলৈ। নামি যাব পৰাকৈ চাৰিওফালে খট খটিৰ ব্যৱস্থা আছিল। গা ধুই কাপোৰ সলোৱাৰ কাৰণে চাৰিওফাল কিছুমান কোঠালি আছিল। স্নানাগাৰটোৰ সৈতে সংলগ্ন এটা কুঁৱাৰ পৰা ইয়ালৈ পানী যোগান ধৰা হৈছিল আৰু গা – ধোৱা পানী ওলাই যাবলৈ ডাঙৰ নলাৰ ব্যৱস্থা আছিল।

**প্ৰশ্ন ২। অতি চমু উত্তৰ দিয়া –**

( ক ) সিন্ধু সভ্যতাক আৰু কি নামেৰে জনা যায় ?

**উত্তৰঃ** সিন্ধু সভ্যতাক হৰপ্পা সভ্যতা আৰু প্ৰাচীন নগৰীয়া সভ্যতা নামেৰে জনা যায়।

( খ ) সিন্ধু সভ্যতাৰ সমসাময়িক এটা সভ্যতাৰ নাম লিখা।

**উত্তৰঃ** সিন্ধু সভ্যতাৰ সমসাময়িক এটা সভ্যতা হৈছে মেছোপটেমিয়া সভ্যতা।

( গ ) সিন্ধু সভ্যতাৰ লোকসকলে ব্যৱহাৰ কৰা দুবিধ অলংকাৰৰ নাম লিখা।

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লোকসকলে ব্যৱহাৰ কৰা দুবিধ অলংকাৰ হৈছে— কেৰু , খাৰুবা বালা আদি।

( ঘ ) কিমান চনত সিন্ধু নদীৰ পাৰত খনন কাৰ্য আৰম্ভ হৈছিল ?

**উত্তৰঃ** ১৯২১-২২ চনত সিন্ধু নদীৰ পাৰত খনন কাৰ্য আৰম্ভ হৈছিল।

( ঙ ) সিন্ধু নদীৰ পাৰৰ খনন কাৰ্যত ভাগ লোৱা দুজন পুৰাতত্ত্ববিদ নাম লিখা।

**উত্তৰঃ** সিন্ধুনদীৰ পাৰৰ খনন কাৰ্যত ভাগ লোৱা দুজন পুৰাতত্ত্ববিদ হৈছে – ছাৰ জন মাছাল আৰু ডি বেনাৰ্জী।

( চ ) সিন্ধু সভ্যতাৰ পতনৰ দুটা কাৰণ উল্লেখ কৰা।

**উত্তৰঃ** সিন্ধু সভ্যতাৰ পতনৰ দুটা কাৰণ হ’ল—

( ১ ) কোনাে কোনাে পণ্ডিতৰ মতে বানপানীৰ বাবে এই সভ্যতা ধ্বংস হ’ল ।

( ২ ) আৰ্যসকলৰ আক্ৰমণৰ বাবেও এই সভ্যতা ধ্বংস হাে‌ৱা বুলি বহুতে ক’ব খাে‌জে ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) তলৰ প্ৰশ্নবাে‌ৰৰ চমুকৈ উত্তৰ দিয়া –**

প্ৰশ্ন ১। সিন্ধু সভ্যতাৰ খনন কাৰ্য প্ৰথমে ক’ত আৰম্ভ কৰা হৈছিল ?

**উত্তৰঃ** সিন্ধু প্ৰদেশৰ লাৰাকানা জিলাৰ মহেঞ্জোদাৰাে আৰু পঞ্জাৱৰ মন্টেগমাৰী জিলাৰ হৰপ্পাত প্ৰথমে খনন কাৰ্য চলাে‌ৱা হৈছিল ।

প্ৰশ্ন ২। হৰপ্পা আৰু মহেঞ্জোদাৰো বৰ্তমান কোন দেশৰ অন্তৰ্গত ?

**উত্তৰঃ** হৰপ্পা আৰু মহেঞ্জোদাৰাে বৰ্তমান পাকিস্তানৰ অন্তৰ্গত ।

প্ৰশ্ন ৩। সিন্ধু সভ্যতা কোনখিনি সময়ত গঢ় লৈ উঠিছিল ?

**উত্তৰঃ** খ্ৰীঃপূঃ ৩০০০ ৰ পৰা খ্ৰীঃপূঃ ১৫০০ ৰ ভিতৰত এই সভ্যতা গঢ় লৈ উঠিছিল বুলি পণ্ডিতসকলে অনুমান কৰে ।

প্ৰশ্ন ৪। মিচৰীয়া সভ্যতা কি নদীৰ পাৰত গঢ়ি উঠিছিল ?

**উত্তৰঃ** নীল নদীৰ পাৰত মিচৰীয় সভ্যতা গঢ়ি উঠিছিল ।

প্ৰশ্ন ৫। বেবিলনীয় সভ্যতা কি নদীৰ পাৰত গঢ়ি উঠিছিল ?

**উত্তৰঃ** বেবিলনীয় সভ্যতা ইউফ্ৰেটিচ আৰু টাইগ্ৰীচ নদীৰ পাৰত গঢ়ি উঠিছিল ।

প্ৰশ্ন ৬। চীন সভ্যতা কি নদীৰ পাৰত গঢ়ি উঠিছিল ?

**উত্তৰঃ** হাে‌ৱাংহাে আৰু ইয়াংচিকিয়াং নদীৰ পাৰত চীন সভ্যতা গঢ় লৈ উঠিছিল ।

প্ৰশ্ন ৭। সিন্ধু সভ্যতাৰ লাে‌কসকলে গৃহ নিৰ্মাণত কি ব্যৱহাৰ কৰিছিল ?

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লোকসকলে পোৰা ইটাৰে গৃহ নির্মাণ কৰিছিল ।

প্ৰশ্ন ৮। সিন্ধু সভ্যতাৰ ৰাজহুৱা নাগাৰটো ক’ত আৱিষ্কাৰ হৈছে ?

**উত্তৰঃ** সিন্ধু সভ্যতাৰ ৰাজহুৱা স্নানাগাৰটো মহেঞ্জোদাৰোত আৱিষ্কাৰ হৈছে ।

প্ৰশ্ন ৯। সিন্ধু সভ্যতাৰ লোকসকলৰ প্ৰধান জীৱিকা কি আছিল ?

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লোকসকলৰ প্ৰধান জীৱিকা আছিল কৃষি আৰু পশুপালন ।

প্ৰশ্ন ১০। মহেঞ্জোদাৰোত আৱিষ্কাৰ হোৱা শস্যৰ ভৰালটোৰ আয়তন কিমান আছিল ?

**উত্তৰঃ** মহেঞ্জোদাৰোত ৪৬ মিটাৰ দীঘল আৰু ১৫ মিটাৰ বহল আয়তনৰ এটা শস্যৰ ভঁৰাল আৱিষ্কাৰ হৈছে ।

প্ৰশ্ন ১১। সিন্ধু উপত্যকাৰ সভ্যতাৰ উল্লেখযোগ্য উদ্যোগটো কি আছিল ?

**উত্তৰঃ** সিন্ধু সভ্যতাৰ উল্লেখযোগ্য উদ্যোগটো আছিল মৃৎ শিল্প ।

প্ৰশ্ন ১২। সিন্ধু উপত্যকাৰ লোকসকলে শিৱক কি বুলি পূজা কৰিছিল ?

**উত্তৰঃ** সিন্ধু উপত্যকাৰ লোকসকলে শিৱক পশুপতি বুলি পূজা কৰিছিল।

**( খ ) উত্তৰ লিখা-**

**প্ৰশ্ন ১। সিন্ধু সভ্যতা ক’ত গঢ় লৈ উঠিছিল ?**

**উত্তৰঃ** সিন্ধু নদীক কেন্দ্ৰ কৰি সিন্ধু সভ্যতা গঢ় লৈ উঠিছিল । হৰপ্পা আৰু মহেঞ্জোদাৰোৰ খননৰ পৰা এই কথাৰ প্ৰমাণিত হৈছে । এই সভ্যতা ৰূপাৰ , লোথাল , ছানডাৰৰ , কালিবাংগান আদি ঠাইলৈকো বিয়পি পৰিছিল ।

**প্ৰশ্ন ২। সিন্ধু সভ্যতাৰ ঘৰসমূহক কি কি ভাগত ভাগ কৰা হৈছে ?**

**উত্তৰঃ** সিন্ধু সভ্যতাৰ ঘৰসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি । সেইকেইটা হৈছে — বৃহৎ অট্টালিকা , সাধাৰণ মানুহৰ বাসগৃহ আৰু স্নানাগাৰ বা গা ধোৱা ঘৰ ।

**প্ৰশ্ন ৩। সিন্ধু সভ্যতাৰ লােকসকলৰ প্ৰধান খাদ্য কি আছিল ?**

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লােকসকলৰ প্ৰধান খাদ্য আছিল গম , বাৰ্লি , ভাত , গাখীৰ আৰু গাখীৰৰ পৰা উৎপন্ন বস্তু । তদুপৰি তেওঁলােকে শাক – পাচলি , মাছ , ছাগলীৰ মাংস , কাছৰ মাংস আদি খাইছিল ।

**প্ৰশ্ন ৪। সিন্ধু সভ্যতাৰ লােকসকলে কি কি বস্তু আমদানি আৰু ৰপ্তানি কৰিছিল ?**

**উত্তৰঃ** সিন্ধু উপত্যকাৰ লােকসকলে বিভিন্ন ধৰণৰ মণি , কাপােৰ , মাটিৰ পাত্ৰ , মছলা আদি আন ঠাইলৈ ৰপ্তানি কৰিছিল । আনহাতে , সােণ , ৰূপ , তাম , অন্যান্য মূল্যৱান পাথৰ , সাধন সামগ্ৰী আদি আন ঠাইৰ পৰা আমদানি কৰিছিল ।

**( গ ) উত্তৰ লিখা –**

**প্ৰশ্ন ১। সিন্ধু সভ্যতাৰ লােকসকলৰ আ – অলংকাৰ আৰু সাজ – পাৰৰ বিষয়ে লিখা ।**

**উত্তৰঃ** সিন্ধু সভ্যতাত পুৰুষ – মহিলা উভয়েই অলংকাৰ পিন্ধিছিল । অলংকাৰসমূহ সােণ , ৰূপ , তাম , ব্ৰঞ্জ আৰু হাতীৰ দাঁতেৰে নিৰ্মাণ কৰা হৈছিল । মহিলাসকলে কেৰু , খাৰু বা বালা , হাৰ , আঙঠি আদিৰ লগতে বিভিন্ন ধৰণৰ মণিও পিন্ধিছিল । পুৰুষ মহিলা উভয়েই চুলি বান্ধিছিল । তেওঁলােকে হাতী দাঁতৰ ফণী আৰু ব্ৰঞ্জৰ আয়না ব্যৱহাৰ কৰিছিল ।

সিন্ধু সভ্যতাৰ লােকসকলে দুই ধৰণৰ বস্ত্ৰ পিন্ধিছিল । গাৰ ওপৰৰ অংশত চাদৰৰ দৰে এখন কাপােৰ মেৰিয়াই লৈছিল আৰু তলৰ অংশত ধুতিৰ দৰে এখন বস্ত্ৰ পিন্ধিছিল । তেওঁলােকে কপাহী আৰু উণৰ কাপােৰ পৰিধান কৰিছিল । ধ্বংসাৱশেষবােৰৰ মাজত হাড়ৰ বেজী আৰু বুটাম উদ্ধাৰ হােৱালৈ চাই তেওঁলােকে কাপােৰ চিলাই কৰিও পিন্ধিছিল বুলি অনুমান কৰিব পাৰি।

**প্ৰশ্ন ২। সিন্ধু সভ্যতাৰ শিল্পকলাৰ বিষয়ে লিখা ।**

**উত্তৰঃ** সিন্ধু সভ্যতাৰ লােকসকল কলা – কৌশলত নিপুণ আছিল । তেওঁলােকে নিৰ্মাণ কৰা আ – অলংকাৰ , মাটিৰ পাত্ৰ , ধাতুৰ পাত্ৰ , মাটিৰ বিভিন্ন পুতলা , ব্ৰঞ্জৰ মূৰ্তি আদি আৱিষ্কাৰ কৰিছিল । তেওঁলােকে জন্তুৰ আকৃতিৰ মাটিৰ পুতলা শিশুৰ খেলনাৰ

উপযােগীকৈ সাজি উলিয়াইছিল। টাকুৰিৰ মাৰি আৰু সূতাকটা চকা আৱিষ্কাৰ হােৱালৈ চাই তেওঁলােকে সুন্দৰকৈ কাপােৰ বৈ ল’ব জানিছিল বুলি অনুমান কৰিব পাৰি।